# FURKATING SENIOR SECONDARY SCHOOL

Estd. 2011

# PRATYASHA







## E-Magazine

1st January, 2026 to 30th March, 2026

Lachit Nagar, P.O.- Furkating, Golaghat-Assam

# FURKATING SENIOR SECONDARY SCHOOL



Dr. Lachit Baruah
Managing Director
Mohen Baruah Foundation

*From the Desk of Managing Director,*

**Mohen Baruah Foundation**

I, convey my warmest wishes for the success of this e-magazine “Pratyasha” every page of this magazine reflects the creativity, talent and vibrant spirit of our students. It also encourages the students to think explore and express their ideas. I congratulate the editorial team and all the contributors for their wonderful efforts. May this magazine, continue to inspire young talents in the years to come.



# FURKATING SENIOR SECONDARY SCHOOL



DR. MONISHA KONWAR
PRINCIPAL
FURKATING SENIOR
SECONDARY SCHOOL

## Message From Principal,

It gives me immense pleasure to present the 1st edition of our E-magazine “Pratyasha”. This magazine is a reflection of hard work, creativity, achievements of our students as well as teachers. We always gives importance in nuturing the young minds not only in academic field but also in values, skills, mind and physical activities. This magazine reflects the enthusiasm and spirit shown by our students in sports, cultural events and other co-curricular activities in different times at different places.

Education is a journey of overall development and I am happy to see our students growing in every aspects of their lives. My sincere appreciation to the teachers and students who have contributed to this publication.

I wish great sucess to everyone in the years ahead.



# FURKATING SENIOR SECONDARY SCHOOL

## Editorial Column

Puja Agarwalla,
Department of: Hindi

## Editorial Column

Geetanjali Gogoi,
Department of: Assamese

Greetings to all. We are pleased to present the first issue of the magazine "Pratyasha" to you, with your blessings upon us. The main objective of this magazine is to guide the students of our school towards the world of literature. A society entirely depends on the mindset and thoughts of its people. Our primary aim through this magazine is to nurture positive thinking among students.

While bringing out the first issue of "Pratyasha", the support we received from you have given us great encouragement and confidence. There may be some mistakes or shortcomings in this publication, for which we sincerely seek your forgiveness.

Thank you for visiting and viewing our webpage.



# OUR FACULTIES



**ANANYA BORUAH**
**VICE PRINCIPAL**



**BORSHA SAIKIA**
**VICE PRICIPAL**



**ROHIT PAL**
Qualif.:- IIT-Hyderabad
Dep.- Mathematics
St.- Uttar Pradesh



**ABHISHEK VERMA**
Qualif.:-M.Sc. in Genetics and Plant Breeding From Dev Bhoomi Uttarakhand University, Dehradun.
Dep.- Biology
St.- Bihar



**SUBHAM GUPTA**
Qualif.:-M.Tec. IIT- Roorkee
Dep.- Chemistry
St.- Uttar Pradesh



**SUBODH RAWAT**
Qualif.:-M.Sc.
Dep.- Physics
St.- Madhya Pradesh



**MIRJA WAKIB JAHAN**
Qualif.-M. Sc
Kaziranga University
Dep.- Mathematics

**ANWESHA BARUAH**
Qualif.-M. Sc
North-Eastern Hill University (Shilong)
Dep.- Biology





**NEEHARIKA HAZARIKA**
Qualif.-M. Sc
Guwahati University
Dep.- Chemistry



**KAUSHIK SAIKIA**
Qualif.-M. Sc
Assam University
Dep.- Physics

**LEKHASHRI BORA**
Qualif.-M. Sc
Dibrugarh University
Dep.- Biology





ANITA BORAH
ENGLISH



BORSHA CHUTIA
ENGLISH, MUSIC



**ABDUR RAHMAN**
**ENGLISH**



**GAYATRI GOGOI**
**ENGLISH**



DEBOJANI SAIKIA
ASSAMESE



**DIBYA JYOTI BARUAH**
**ASSAMESE**



**BIPANCHI SAIKIA**
**ASSAMESE**



**MANASI BARUA**
**ECONOMICS**



MINTU DAS
EDUCATION



NANSWITA BHATTACHARJYA
EDUCATION



AFTABOR ROHMAN
GEOGRAPHY



NAMRATA BORA
GEOGRAPHY



PARISMITA SAIKIA
HISTORY



MAYURPONKHI BORA
SATTRIYA DANCE



RIMPI DUTTA
POLITICAL SCIENCE



PRABALI BORA
POLITICAL SCIENCE

# OUR FACULTIES



SWAPNA DUTTA
SOCIOLOGY



SANJIBONI DEVI
SOCIOLOGY



RITURAJ BORA
COMMERCE



BORNALEE SARMAH
COMMERCE



SUBHAM PAUL
ENGLISH



KABERI BORAH
ENGLISH



GEETANJALI GOGOI
ASSAMESE



PUJA AGARWAL
HINDI



**DAISIE BURAGOHAIN**
**MATHS/SCIENCE**



**MURSHANA BORKAKOTY**
**MATHS/SCIENCE**



**INDRA MOHAN SAIKIA**
**SCIENCE**



**MOHESWAR BORA**
**MATHS**



**ANTARIP GOHAIN**
**COMPUTER SCIENCE**

# Written by Teachers

## চৰিত্ৰ আৰু অনুশাসন

চৰিত্ৰ আত্মাৰ দাপোন। চৰিত্ৰই ব্যক্তিত্ব বিকাশত সহায় কৰে। চৰিত্ৰত ব্যক্তিৰ সংস্কাৰ-আচৰণ-কথা-বাৰ্তা আৰু নৈতিকতা বিকশিত হয়। চৰিত্ৰ হৈছে আত্মাৰ ছাঁ। জীৱনে সুখ-অসুখ, হাঁহি-কান্দোনৰ মিতিৰালিৰে বাগৰ সলালেও চৰিত্ৰই লগ এৰা নিদিয়ে। কিন্তু এই চৰিত্ৰ গঢ়ন হয় "অনুশাসন" ৰ জৰিয়তে। সহজ অৰ্থত অনুশাসন হ'ল ভাল -বেয়া বিচাৰ কৰি আত্মনিয়ন্ত্ৰণ কৰা এক প্ৰক্ৰিয়া। অনুশাসনে মূল্যবোধ আৰু নৈতিক আচৰণৰ জৰিয়তে ব্যক্তিক সুপথে পৰিচালিত কৰে। অনুশাসন বিহীন জীৱন ব'ঠাবিহীন নাওখনৰ দৰে। অনুশাসনবিহীন জীৱনে এজন ব্যক্তিক সুপথে পৰিচালিত কৰে। অনুশাসন বিহীন জীৱন ব'ঠাবিহীন নাওখনৰ দৰে। অনুশাসনবিহীন জীৱনে এজন ব্যক্তিক "ৰত্নাকৰ" লৈ ৰূপান্তৰিত কৰে আৰু সেই অনুশাসনেই "ৰত্নাকৰ" জনক "বাল্মিকী" লৈ ৰূপান্তৰিত কৰে।

বেদ আৰু উপনিষদৰ যুগত গুৰুৱে শিক্ষাৰ্থীক ব্ৰহ্মচৰ্চ, গাহস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস এই চাৰি আশ্ৰম অৰ্থাৎ এই চাৰিটা স্তৰৰ জৰিয়তে শিক্ষাৰ্থী বা ছাত্ৰজনক অনুশাসন সম্পৰ্কে বুজাই দিছিল। অনুশাসনে দৈনন্দিন জীৱনৰ কাম-কাজবোৰ সঠিক ৰূপত পৰিচালনা কৰে। সৎ চৰিত্ৰ ,সূৰ্যৰ দৰে। সূৰ্যৰ পোহৰে যেনেকৈ সমগ্ৰ পৃথিৱীক পোহৰাই ৰাখে, ঠিক তেনেদৰে সৎ চৰিত্ৰই অসৎ চৰিত্ৰৰ ব্যক্তিৰ চাৰিত্ৰিক সংশোধনত সহায় সহায় কৰে। অনুশাসনৰ জৰিয়তে চৰিত্ৰিক গঢ় দিয়াটো উঠি অহা প্ৰজন্মৰ উত্তৰ দায়িত্ব।

চৰিত্ৰই এজন মানুহক "দেৱতা" অথবা "দানৱ" লৈ ৰূপান্তৰিত কৰে। লোহাক যেনেকৈ কমাৰশালত গঢ়ি-পিটি সঠিক ৰূপত গঢ় দিয়া হয়। ঠিক সেইদৰে অনুশাসনৰ কমাৰশালৰতো দেই-পুৰি ছাত্ৰৰ চৰিত্ৰ আৰু ব্যক্তিত্বৰ সাধন হয়। মানুহে জীৱনৰ প্ৰবাহমান গতি আৰু ধামখুমীয়াত উটি -ভাঁহি গুহাৰ যুগৰ পৰা, কেঁচা-মাংসৰ ভক্ষণ কৰাৰ পৰা, লাজ নিবাৰণৰ বাবে বল্কল পৰিধান কৰাৰ পৰা বৰ্তমানৰ এই অৱস্থাত উপনীত হৈছেহি। মানুহ হোৱাৰ সাধনাত হাজাৰজন দুৰ্যোধনৰ আদেশ শিৰাধাৰ্য কৰি ভাতৃৰূপী দুঃশাসনবোৰে হাজাৰ জনী "দ্ৰৌপদী" ক আজিও ৰাজসভাত বা ৰাজহুৱা স্থানত বস্ত্ৰহৰণ কৰিছে। হাজাৰটা অনুশাসনৰ দীক্ষাৰে প্ৰতিপালিত হৈও পিতৃৰ আদেশ শিৰোধাৰ্য কৰি "পৰশুৰাম" ৰ দৰে কোনো সন্তানে আজিও নিজ মাতৃক হত্যা কৰিছে। কোনো 'শ্ৰৱণ কুমাৰ' ৰূপী সন্তানে আজিও কোনো অন্ধ পিতৃ-মাতৃক কান্ধত কঢ়িয়াই পুত্ৰৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছে। এনেকৈয়ে অহৰহ যুগৰ গতিময়তাত চৰিত্ৰ আৰু অনুশাসনে মানুহক "মানুহ" হেৱাৰ সাধনাত ব্ৰতী কৰিছে। অনুশাসনে ব্যক্তিক যিকোনো পৰিস্থিতিতে বিবেকৰ দ্বাৰা পৰিচালিত হোৱাত সহায় কৰে। মহৰ্ষি টলষ্টয়ে কৈছিল - "পৃথিৱীখন এখন অন্তহীন অনুসন্ধানৰ পঢ়াশালি।" এই পঢ়াশালিত শিক্ষাগ্ৰহণ কৰি সৎ চৰিত্ৰৰে নিজকে উজলাই ৰাখিবলৈ মানুহক অনুশাসনৰ প্ৰয়োজন।

বৰ্ষা শইকীয়া
উপাধ্যক্ষা
ফৰকাটিং চিনিয়ৰ ছেকেণ্ডাৰী স্কুল।

## গণিতৰ প্ৰয়োজনীয়তা

দৈনন্দিন জীৱনত গণিত অবিচ্ছেদ্য, যাৰ ব্যৱহাৰ সময় চোৱা, বজাৰ কৰা, খোজ কঢ়া বা ৰন্ধা বঢ়াৰ পৰা আৰম্ভ কৰি জটিল পৰিকল্পনালৈকে প্ৰতিটো খোজতে ব্যৱহাৰ হয়। গণিত দৈনন্দিন জীৱন, বিজ্ঞান আৰু প্ৰযুক্তিৰ ভেঁটি, যি আমাক বিভিন্ন চিন্তা, সমস্যা সমাধান আৰু সঠিক সিদ্ধান্ত লোৱাত সহায় কৰে। গণিত কেৱল সংখ্যাৰ খেল নহয়, ঘৰুৱা হিচাপৰ মহাকাশ বিজ্ঞানলৈ সকলোতে গণিত প্ৰয়োজনীয়।

বিদ্যালয়ৰ বিভিন্ন বিষয়সমূহৰ ভিতৰত গণিত অন্যতম। প্ৰত্যেক বিষয়তে বেছি পৰিমাণে গণিতৰ ভূমিকা দেখা যায়। ছাত্ৰ-ছাত্ৰীসকলৰ বিকাশ আৰু ভৱিষ্যতৰ সফলতাৰ বাবে গণিতৰ গুৰুত্বৰ ওপৰত প্ৰাধান্য দিয়াটো অতি প্ৰয়োজনীয়। গণিতৰ অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ মাজত দুই ধৰণৰ দক্ষতাৰ আলোকপাত কৰে - জ্ঞানমূলক বিকাশ আৰু ব্যৱহাৰিক প্ৰয়োগ। জ্ঞানমূলক বিকাশৰ দ্বাৰা ব্যক্তিৰ সমস্যা সমাধানৰ দক্ষতা উন্নত কৰে, বিশ্লেষণাত্মক যুক্তি গঢ়াত সহায় কৰে। ব্যৱহাৰিক প্ৰয়োগ হৈছে বিশেষকৈ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত। ইয়াৰ লগতে 'বাস্তৱ জগতৰ সমস্যা সমাধানৰ ক্ষেত্ৰত বিশেষকৈ বিত্ত পৰিচালনাৰ ক্ষেত্ৰত গণিতৰ ব্যৱহাৰ সুকীয়া। অন্য বিষয়ৰ বাবে গণিত হৈছে বিল্ডিং ব্লক। প্ৰায়ে অন্য বিষয়ত গণিতৰ ধাৰণা প্ৰয়োগ কৰা হয়।

গণিত হৈছে মগজুৰ এক ব্যায়াম। ই স্মৃতি শক্তি, একাগ্ৰতা আৰু স্থানীয় সচেতনা বৃদ্ধি ঘটায়। গণিত শিকিবলৈ নিষ্ঠা, অধ্যৱসায় আৰু ধৈৰ্য্যৰ প্ৰয়োজন। গণিতৰ সমাধানবিলাকে ছাত্ৰ-ছাত্ৰীৰ মাজত আত্মবিশ্বাস গঢ়ি তুলে আৰু মনত এক প্ৰফুল্লতাৰ সৃষ্টি কৰে। ই অভিযোজন ক্ষমতাও বৃদ্ধি কৰে। ছাত্ৰ-ছাত্ৰীসকলে গণিতৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ কিছুমান কৌশল ব্যৱহাৰ কৰিব পাৰে।

* বাস্তৱ জগতত প্ৰয়োগ যেনে - বিত্ত, বিজ্ঞান, ঘৰুৱা ক্ষেত্ৰত।
* দৃশ্য সামগ্ৰী যেনে সামগ্ৰী গ্ৰাফ, চাৰ্ট বা ভিডিঅ ব্যৱহাৰ কৰা।
* পাৰস্পৰিক কাৰ্য্যকলাপ যেনে গণিতৰ খেল, প্ৰতিযোগিতাত লিপ্ত।
* গণিতৰ ইতিহাস অন্বেষণ কৰা।
* গল্প আকাৰে কিছুমান সমস্যা সমাধান কৰা।
* অনলাইন সম্পদসমূহ যেনে - খান একাডেমী, **Mathway, Geo Gebra,** গণিতৰ মুক্ত উল্লেখ আদি **app** আৰু **website** সমূহৰ সৎ ব্যৱহাৰ ।
* গণিতৰ নিজৰ পাঠ্যপুথিৰ লগতে গণিত সম্পৰ্কীয় কিছুমান কিতাপ যেনে - এক্স ৰ আনন্দ, গণিতৰ বিলাপ, অংকৰ ধেমালি, গণিতৰ খেল আদি কিতাপসমূহ পঢ়া।

কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ মাজত গণিতৰ প্ৰতি সংকোচ ভাৱ, ভয় ভাৱ থকা দেখা যায়। এনে সমস্যা সমূহ নিৰ্মূল কৰাৰ উপায় হৈছে গণিত বিষয়ক বন্ধুসুলভ জ্ঞান কৰা আৰু সদায় অলপ হলেও গণিতৰ অভ্যাস কৰা। গণিতৰ দৈনিক ব্যৱহাৰে পাঠ্যপুথিৰ লগত বাৰে বাৰে চিনাকী কৰাই আৰু সময়ত শৰ নামাৰিবলৈ বাধ্য কৰায়। কম অভ্যাস বা চৰ্চা কৰা ছাত্ৰৰ সদায় গণিত কৰাৰ সময়ত সঠিক সমাধানৰ অভাৱ হয়, যাৰ ফলত তেওঁলোক নিৰাশাত ভুগে। গতিকে ছাত্ৰ-ছাত্ৰী সকল তোমালোকে অতি কম সময় হলেও সদায় গণিতৰ অভ্যাস কৰিবা বুলি আশা ৰাখিলো।

**"Mathematics is the most beautiful and most powerful creation of the human spirit". - Stefan Banach**
**" Mathematics reveals its secrets only to those who approach it with pure love, for its own beauty".- Archimedes.**

মূৰ্চ্ছনা বৰকাকতি
সহকাৰী শিক্ষয়ত্ৰী
গণিত আৰু বিজ্ঞান বিভাগ।

## বিহু, বৰ্তমান সমাজ আৰু যুৱ উচ্ছৃংখলতা

পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱত আধুনিকতাৰ গৰাহত পৰি অসমীয়া বাপতিসাহোন বিহুটিও লাহে লাহে হেৰাই যোৱাৰ উপক্ৰম হৈছে। অসমৰ জাতীয় উৎসৱ বিহু তিনিটাৰ ভিত ৰত ৰঙালী বিহুতো উলহ মালহেৰে উদ্যাপন কৰা হৈছিল। ঘৰে ঘৰে হুচৰি গাইছিল। পথাৰত ডেকা-গাভৰুৱে যৌৱনৰ গীত গাইছিল। অসমৰ শিপিনীসকলে বিহুলৈ বুলি ফুলাম গামোচা বৈছিল, প্ৰিয়জনক 'বিহুৱান' দিবলৈ ঘৰে ঘৰে চাউল, নাৰিকল, তিলৰ আদিৰ দৰে পিঠা প্ৰস্তুত কৰিছিল। আজিকালিটো কঙালী বিহুৰ কথা বহুতে গমেই নাপায়। গাঁৱৰ অঞ্চলত কম -বেছি পৰিমাণে বিহু উৎযাপিত হলেও চহৰীয়া অঞ্চলত প্ৰায় পাহৰাৰ উপক্ৰম ঘটিছে। অসম চৰকাৰেই আজিকালি কাতি বিহুত চৰকাৰী বন্ধ নিদিয়ে। অসমত অসমীয়াৰ যদি জাতীয় উৎসৱ বিহুৰ এনে ৰূপ লয়; তেনেহ'লে নিশ্চয় এদিন অসমত জাতীয় উৎসৱ বিহু উৎযাপিত হৈছিল বুলি ক'ব লাগিব।

কালক্ৰমত ডেকা-গাভৰু চহৰমুখী হ'ল। গাঁৱত ব্যৱসায় বা চাকৰি কৰিবলৈ ভাল নলগা হ'ল। পথাৰৰ বা গছৰ তলৰ বিহু আহি মঞ্চত উঠিল। চহৰৰ ল'ৰা -ছোৱালীয়ে মঞ্চত বিহুমেলা প্ৰতিযোগিতা পাতিলে। 'বিহুৱান' দিবৰ বাবে গামোচা বেলেগ দেশৰ পৰা অনা হ'ল। কিছুমানে 'হেপ্পি বিহু' ক'বলৈ আৰম্ভ কৰিলে দৈ, চিৰা ঠাইত লুচি মঙহ খায়। আন কিছুমানে আকৌ হুচৰি গাবলৈ টকা দাবী কৰে। মঞ্চতো আজি কালি শ্ৰেষ্ঠ প্ৰতিযোগিতাক টকাৰে মূল্য দিয়া হ'ল। সাংস্কৃতিক সন্ধিয়াত আধুনিক সংগীত গোৱা শিল্পী নিমন্ত্ৰিত হয়। মঞ্চত হিন্দী বোলছবিৰ গীত বা মিউজিক বাজিল। পাশ্চাত্যৰ প্ৰভাৱ আজি গোটেই বিশ্বতে কম-বেছি পৰিমাণে বিস্তাৰিত। পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱ অসমীয়া সংস্কৃতিত সোমাল।

মুঠৰ ওপৰত বৰ্তমান যুগ ডিচক' যুগ। 'ডিচক' বা পপ মিউজিকে যুৱক- যুৱতীৰ তেজত জোৱাৰ আনি দিয়ে। সাজ-পাৰৰ পৰা আদি কৰি ভাৱ - ভাংগী, নৃত্য-গীত, সকলোতে পৰিৱৰ্তন। ফলত আমাৰ সংস্কৃতিটো বিজতৰীয়া সংস্কৃতি হিচাপে চিহ্নিত হৈছে। অথচ আমাৰ উঠি অহা যুৱক-যুৱতীৰ মাজত এক উন্মাদনা সৃষ্টি কৰিছে। বিহু মঞ্চতো আজিকালি ঢোল পেঁপা, গগণা আদিয়ে বিদায় লৈছে। জাতীয় সংস্কৃতিৰ ৰসপাণ শুকাই যাব ধৰিছে। বহুতৰে মতে এয়া হেনো আধুনিকতাৰ লক্ষণ।

কিছুমানে কয় পথাৰৰ বিহু আহি মঞ্চত সোমোৱাটো বেয়া হৈছে। যদি বেয়াই হৈছে তেওঁলোকে নিজে পথাৰত বিহু অনুষ্ঠানৰ আয়োজন কৰিব লাগে। কোনোবাই একো নোহোৱাতকৈ অন্ততঃ মঞ্চতে কিবা অলপ ৰক্ষা কৰি আছে। যি ৰূপত আজি বিহু ধৰা দিছে তাক যদি এৰি দিয়া হয় বিহুয়েই নাথাকিব। আজি অভিভাৱকে জানো গাভৰুক মুকলি পথাৰত বিহু নাচি জীৱন-সংগীক বাছি লবলৈ দিব, আনহাতে গাভৰুৱে জানো আজিৰ যুগত পথাৰৰ হালোৱাজনক বিচাৰিব। আজিৰ যুৱক - যুৱতীয়ে পথাৰৰ ওখোৰা মোখোৰা বাটেৰে বিহু চাবলৈও নাযায়। গতিকে বিহু মঞ্চত উঠিবয়ে লাগিব। বৰঞ্চ আমি চেষ্টা কৰা উচিত যাতে বিহুৰ মাজত আমাৰ সংস্কৃতিৰ সম্যক প্ৰতিফলন ঘটে।

এখন দেশৰ সামগ্ৰিক উন্নয়ণৰ মূল চালিকা শক্তি হ'ল যুৱ সমাজ। আধুনিকতাই প্ৰভাৱ পেলোৱা বৰ্তমান সমাজত যুৱ উচ্ছৃংখলতাই এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। বৰ্তমান জনজীৱত এনে এটা স্থান নাই যি যুৱ -উচ্ছৃংখলতাৰ পৰা মুক্ত হৈ থাকিব পাৰিছে। মানুহে যিমানেই উন্নতিৰ শিখৰলৈ গতি কৰিছে ; সিমানেই তেওঁলোক বেছি স্বাৰ্থপৰ হৈ পৰিছে। বৰ্তমান যান্ত্ৰিক যুগত সকলোতে সন্ত্ৰাস, হত্যা, অপহৰণ, লুণ্ঠন, দুনীতি আৰু ধৰ্ষন আদিয়ে ছানি ধৰিছে, যাৰ ফলত যুৱ সমাজ ধ্বংসৰ মুখলৈ গতি কৰিছে। মানুহে নিজ স্বাৰ্থ পূৰণৰ বাবে যিকোনো উপায়েৰে ধন উপাৰ্জনৰ কামত ইমানেই ব্যস্ত হৈ পৰিছে যে তেওঁলোকে আনৰ দুখ - কষ্টৰ প্ৰতি চকু দিবলৈ যে আহৰি নাই।

বৰ্তমানে যুৱক-যুৱতী সকলে নিজৰ মান মৰ্যদা নিজে নাইকীয়া কৰিছে।তেওঁলোকে নিচাযুক্ত বস্তুৰ ৰাগীত মতলীয়া হৈ আধুনিকতাৰ নামত সিহঁতৰ দানৱতা প্ৰকাশ কৰিছে। বৰ্তমান তথাকথিত আধুনিকতাৰ পৰশত সমাজৰ সকলো দিশতেই নগ্নতাই গা কৰি উঠিছে। বিজ্ঞাপন হৈছে কোনো এটা সামগ্ৰীৰ প্ৰতি জনসাধাৰণক আকৰ্ষিত কৰাৰ এক মাধ্যম। প্ৰতিটো সামগ্ৰীৰ বিজ্ঞাপনৰ ক্ষেত্ৰত নাৰীৰ দৈহিক অবয়বে প্ৰতিজন ব্যক্তিকে আকৰ্ষিত কৰে। এক শ্ৰেণীৰ মানুহে এই সুবিধা গ্ৰহণ কৰি নাৰীক পণ্য সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিছে। আধুনিকতাৰ পৰশত মলিয়ন হৈ পৰা এচাম নাৰীয়ে সহজে ধনী হোৱাৰ মানসেৰে নিজক বিক্ৰী কৰি সমগ্ৰ নাৰী জাতিকে অপমান কৰিছে। এই কাৰণ সমূহেই যুৱ-প্ৰজন্মক স্খলিত কৰি তোলাৰ লগতে তেওঁলোকৰ মাজত উচ্ছৃংখলতা বৃদ্ধি কৰিছে।

বৰ্তমান যুৱ সমাজত দেখা দিয়া উচ্ছৃংখলতাৰ বাবে কেৱল যুৱক-যুৱতী সকলেই দায়ী নহয়। তাৰ বাবে সমাজৰ প্ৰতিজন ব্যক্তি সমানেই দায়ী। যুৱক-যুৱতীসকল সুপথে পৰিচালত কৰিবলৈ পিতৃ-মাতৃ, অভিভাৱক, সমাজৰ দায়িত্ব আৰু কৰ্তব্যত থকা প্ৰতিজন ব্যক্তিৰ দায়িত্ব। তেতিয়াহে ধ্বংসৰ গৰাহৰ পৰা আমাৰ যুৱ প্ৰজন্মক ৰক্ষা কৰিব পাৰিম আৰু সৰ্বাংগ সুন্দৰ সমাজৰ আশা কৰিব পাৰিম।

দেৱযানী শইকীয়া
অসমীয়া বিভাগ
বিষয় শিক্ষয়িত্ৰী

# Writen by Students

**Seeds of a Greener Tomorrow**

The rivers call, the forests cry,
"Save us now, or we may die."
With gentle hands and hearts so brave,
The Earth depends on me and you to save.

Plant every seed, protect the air,
Show the planet how we care.
With every step, a greener way,
Will brighten up the coming day.

The youth must rise, the time is near,
To guard the Earth we hold so dear.
Conserve, protect, let nature thrive,
And keep our precious planet alive.

Name:- Nazmi Mukter
Class- X

**Spark of Destiny**

Youth's fiery spark ignites the night,
A thousand suns rise in their eyes' light.
Their dreams are seeds that bloom with might,
Shaping nations through vision bright.

Their roar is thunder that shakes the ground,
A new dawn breaks with power unbound.
Their future's canvas, bold and bright,
A masterpiece of hope in radiant light.

Name:- Debo Kumar Baishya
Class:- X

## The Molai Kathoni Arson: A Threat to Conservation

At a time when environmental destruction is increasing, the efforts of individuals like Jadav Payeng, popularly known as the "Forest Man of India," stand as a beacon of hope. His creation, the Molai Kathoni forest in Assam, is a remarkable example of how dedication and perseverance can restore nature.
However, this inspiring achievement recently faced a serious setback. On December 29, 2025, a devastating arson attack damaged a large part of the forest, destroying over 5,500 saplings along with bird nests and shelters of small animals. This incident has severely affected the local ecosystem and raised deep concerns among environmentalists and the public.

Many suspect that the fire may be linked to illegal sand mining activities in the region, as Payeng has long opposed such harmful practices. If true, this highlights the growing conflict between environmental protection and human greed.

The Molai Kathoni forest, once a barren sandbar, symbolizes the power of one individual's commitment to conservation. This tragic incident is not just an attack on a forest but on the idea of preserving nature itself. Urgent action, strict laws, and collective responsibility are needed to protect such invaluable efforts and ensure a sustainable future.

Name:- Bidyut Das
Class - VII

## The Deadly Grip of Drug Abuse

The youth of today stand at a crucial stage of life, full of dreams, energy, and curiosity. However, this phase also makes them vulnerable to negative influences like peer pressure and substance abuse. What may begin as simple experimentation can soon turn into a dangerous habit.

Drug abuse is becoming a serious concern in our society. Studies show that many students are exposed to harmful substances at a very young age. Drugs affect the brain and body, often leading to addiction and long-term health problems. Serious diseases, such as HIV/AIDS, Hepatitis C, and heart infections, can result from unsafe practices associated with drug use.

Beyond health risks, drug addiction destroys lives. It leads to broken relationships, poor academic performance, lost opportunities, and a decline in self-confidence. Many young people lose sight of their goals and dreams due to this harmful habit.

However, there is hope. Awareness and education play a key role in prevention. With proper guidance, strong values, and support from family and teachers, students can make wise decisions and stay away from drugs.

Let us choose a healthy lifestyle and build a brighter future. Say no to drugs and yes to life.

Name:- Bidyut Das
Class - VI

## ৰাম সৰস্বতী

অসমীয়া সাহিত্যত 'মহাভাৰতৰ কবি' হিচাপে পৰিচিত। মহাৰাজ নৰনাৰায়নৰ নির্দেশত মহাভাৰতৰ কেবাটাও পর্ব তেওঁ ভাঙনি কৰিছিল। যেনে - আদি পর্ব, বন পর্ব, দ্ৰোণ পর্ব, কর্ণ পর্ব, গদা পর্ব আদি মূল মহাভাৰতৰ লগত বিশেষ সম্পৰ্ক নথকা অথচ 'যামাল সাহিত্য' 'শিৱ ৰহস্য' আদি উপপুৰাণৰ ভিত্তিত মহাভাৰতৰ কিছুমান চৰিত্ৰক কেন্দ্ৰ কৰি কিছুমান আখ্যানো ৰচনা কৰিছিল। সেইবোৰ হ'ল - বিজয় পর্ব, মীনচন্দ্ৰ ঘোষ পর্ব, ভীম-চৰিত, বকাসুৰ বধ, জংঘাসুৰ বধ, জঁটাসুৰ বধ, অশ্বকর্ণৰ যুদ্ধ আদি। এইবোৰৰ সৰহভাগেই বন পর্বৰ অন্তর্গত কৰা হৈছে। প্ৰাচীন অসমীয়া কবিসকলৰ ভিতৰত সৰ্বাধিক পদৰ ৰচক হিচাপে খ্যাতি আছে। 'কবিচন্দ্ৰ' আৰু 'ভাৰতচন্দ্ৰ' উপাধি পাইছিল।

নাম ঃ নিশি গন্ধা দত্ত
শ্ৰেণী ঃ অষ্টম।

## ভাগৱত গীতাৰ ১০ টা জীৱনৰ নীতি

১. কৰ্ম কৰা, ফলৰ চিন্তা নকৰিবা ঃ নিজৰ কৰ্তব্য সততাৰে কৰা, ফল নিশ্চয় পাবা, অধৰ্য্য নহ'বা।
২. পৰিৱৰ্তনেই জীৱনৰ সত্য ঃ সুখ-দুখ, জয় পৰাজয় সকলো অস্থায়ী। যি পৰিৱৰ্তন বুজে, তেওঁ ভয় নকৰে।
৩. নিজৰ পথ নিজেই বাছা ঃ আনৰ পৰা পথ অনুকৰণ নকৰিবা। নিজৰ কৰ্তব্যই সৰ্বোত্তম ধৰ্ম ।
৪. আসক্তি দুখৰ মূল ঃ অতি আসক্তিয়ে মন অশান্ত কৰে। ত্যাগে মনক মুক্ত কৰে।
৫. সমতা শিকিবা ঃ সুখত অহংকাৰ নহওক, দুখত হতাশা নহওক - সমতা বজাই ৰাখা।
৬. বিশ্বাস আৰু ধৈৰ্য্য ধৰা ঃ সঁচা বিশ্বাসে, মনক শক্তিশালী কৰে। ধৈৰ্যই সকলো কঠিন সময় পাৰ কৰায়।
৭. আত্মা অমৰ, দেহ ক্ষণস্থায়ী ঃ দেহ নষ্টহয়, আত্মা নহয়, সেয়ে মৃত্যুৰ ভয়ত জীৱন থমকি নিদিবা।
৮. জ্ঞানেই মুক্তিৰ পথ ঃ অজ্ঞানত বন্ধন, জ্ঞানত মুক্তি। সেয়ে সদায় শিকিবলৈ আগ্ৰহী হোৱা।
৯. মনেই বন্ধু, মনেই শত্ৰু ঃ নিয়ন্ত্ৰিত মন তোমাৰ সহায়ক। অশান্ত মনেই তোমাৰ আটাইতকৈ ডাঙৰ বাধা।
১০. ভয়ে ত্যাগ কৰা, সাহস ধৰাঃ ভয়ে মানুহক দুৰ্বল কৰে। আত্মবিশ্বাস আৰু জ্ঞানেই সঁচা শক্তি ।

নাম ঃ দীপ ৰাম পাছোৱান।
শ্ৰেণী ঃ অষ্টম।

## ড° এ.পি. জে আব্দুল কালাম

"ভাৰতৰ মিছাইল মেন" নামেৰে পৰিচিত এ.পি. জে আব্দুল কালামৰ জন্ম ১৫ অক্টোবৰ, ১৯১৩ চনৰ তামিলনাডুৰ ৰামেশ্বৰমত হৈছিল। তেওঁ এজন বিখ্যাত বিজ্ঞানী আৰু ভাৰতৰ ৰৰ সংখ্যক ৰাষ্ট্ৰপতি আছিল (২০০২-২০০৭)। বুৰঞ্জীৰ অনুসৰি, কালামৰ পিতৃ-মাতৃৰ শিক্ষা অধিক নহলেও তেওঁ নিজে শিক্ষা অৰ্জনৰ ক্ষেত্ৰত যথেষ্ট উৎসাহী আছিল। তেওঁ শৈশৱৰ কৈছিল "তেওঁৰ উচ্চাকাঙ্খা সপোনৰ দৰে আছিল" আৰু এই সপোনবোৰে তেওঁক অনুপ্ৰাণিত কৰিছিল। কালাম প্ৰথমে স্থানীয় বিদ্যালয়ত শিক্ষা লাভ কৰিছিল। তাৰ পাছত তেওঁ মাদ্ৰাজ ইঞ্চিটিউট অৱ টেকন'লজীত মহাকাশ বিজ্ঞানত অধ্যয়ন কৰে। তেওঁ নিজৰ কৰ্মজীৱনৰ আৰম্ভণিতে এজন বিজ্ঞানী হিচাপে প্ৰযুক্তি আৰু বিজ্ঞানৰ ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠা কৰে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)আৰু ভাৰতীয় প্ৰৱাহ্যশক্তি গৱেষণা সংস্থাত (DRDO)তেওঁৰ বিশেষ অৱদান আছিল।

কালামৰ কৰ্মজীৱন ভাৰতৰ মহাকাশ আৰু আণৱিক বিজ্ঞানৰ ক্ষেত্ৰত এক বিশেষ স্থান দখল কৰে। তেওঁৰ ৰকেট আৰু অস্ত্ৰ ব্যৱস্থাপনা উন্নয়নত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। 'অগ্নি' আৰু পৃথিৱী' ৰকেটৰ নিৰ্মাণত তেওঁৰ ভূমিকা বিশেষ ৰূপে উল্লেখযোগ্য। কালামৰ জীৱন আৰু কৰ্মই সমাজত ইতিবাচক প্ৰভাৱ পেলাইছে। তেওঁ যুৱ সমাজৰ অনুপ্ৰাণিত কৰিবলৈ আৰু নতুন চিন্তা-ধাৰাৰ সৃষ্টি কৰিবলৈ নিজৰ জীৱন উৎসৰ্গ কৰিছিল। তেওঁ প্ৰায়ে কৈছিল "মোৰ সপোনৰ দৰ্শন হৈছে আমাৰ ছাত্ৰৰ সপোনবোৰ পূৰ্ণ হোৱাটো।"

নাম ঃ দীপ ৰুম পাছোৱান
শ্ৰেণী ঃ অষ্টম

## জুবিন গাৰ্গ

১৯৭২ চনৰ নৱেম্বৰ মাহৰ ১৮ তাৰিখে মেঘালয়ৰ তুৰা নামৰ ঠাইত জুবিন গাৰ্গৰ জন্ম হৈছিল। তেখেতৰ পিতৃৰ নাম আছিল মোহিনী মোহন বৰঠাকুৰ আৰু মাতৃৰ নাম আছিল ইলি বৰঠাকুৰ। জুবিন গাৰ্গৰ পিতৃ মোহিনী মোহন বৰঠাকুৰৰ ছদ্ম নামটো হৈছে কপিল বৰঠাকুৰ। জুবিন গাৰ্গৰ ভনীয়েক দুগৰাকীৰ নাম জংকী বৰঠাকুৰ জংকী বৰঠাকুৰে ৪০০ ৰো অধিক গানত কণ্ঠ প্ৰদান কৰিছিল। জংকী বৰঠাকুৰৰ গাড়ী দুৰ্ঘটনাত মৃত্যু হৈছিল। জুবিন গাৰ্গে ৩৮০০০ ৰো অধিক গান গাইছিল। জুবিন গাৰ্গৰ প্ৰকৃত নাম আছিল জুবিন বৰঠাকুৰ। জুবিন গাৰ্গে ২০০৬ চনৰ পৰা বলিউডত গান গাবলৈ আৰম্ভ কৰিছিল। ২০০২ চনত জুবিন গাৰ্গে গৰিমা শইকীয়াৰ লগত বিবাহ পাশত আবদ্ধ হৈছিল। জুবিন গাৰ্গে ঢোল, গীতাৰ, কি-বৰ্ড ইত্যাদি বাদ্য যন্ত্ৰ বজাব পাৰিছিল। জুবিন গাৰ্গে ৮ খনৰো অধিক চিনেমাত অভিনয় কৰিছিল। জুবিন গাৰ্গৰ প্ৰিয় গছজোপা আছিল নাহৰ। জুবিন গাৰ্গে প্ৰকৃতিৰ মাজত থাকি ভাল পাইছিল। জুবিন গাৰ্গৰ প্ৰথম গানৰ এলবামটিৰ নাম হ'ল অনামিকা, জুবিন গাৰ্গে ৪০ টা ভাষাত গান গাইছিল। জুবিন গাৰ্গ ইয়া আলি গানটোৰ বাবে ভাৰতত বিখ্যাত হৈছিল। জুবিন গাৰ্গৰ অসমীয়া হিট চিনেমা হৈছে বৈ বৈ বিনালে। ১৯ ছেপ্তেম্বৰ' ২০২৫ চনত ছিংগাপুৰৰ সাগৰ এখনৰ মাজত মৃত্যু হৈছিল। তেখেতৰ সমাধিস্থল সোণাপুৰত স্থাপন কৰা হয়। জুবিন গাৰ্গক গল্ডি, হাৰ্টথ্ৰৱ, লুইত কণ্ঠ, হামিং কিং বুলি জনা যায়। জুবিন গাৰ্গে প্ৰথম গান গাইছিল ১৯৯৩ চনত।

নাম ঃ শ্ৰী চিন্ময় শইকীয়া
শ্ৰেণী ঃ অষ্টম

## এজন সাধাৰণ মানুহ

এজন সাধাৰণ মানুহ, সৰল পথৰ যোদ্ধা হৃদয়ত সপোন, চকুত আশাৰ প্ৰহৰা।
হাতে ধৰে নীলা আকাশৰ উজ্জ্বল ৰেখা, মাটিৰ দৰে নম্ৰ, হাঁহিৰ দৰে মধুৰ বেকা।
দূৰৈৰ পৰা শুনি যায় জীৱনৰ সুৰ,
নদীৰ সুতৰ দৰে তেওঁৰ দিনবোঁৰ নীৰৱে বয়।
প্ৰতিটো পদক্ষেপ বহে শান্তিৰ বাণী,
পথৰ মাজত জোনাক জ্বলে, মৰমেৰে ভৰা কাহিনী।
নাম নাথাকিলে থাকে কৰ্মৰ চিন,
আলোক জ্বলে হৃদয়ত, আঁধাৰ ভাঙে দিন।
সৰল জীৱন, অথচ গভীৰ অনুভৱ
এজন সাধাৰণ মানুহেই গঢ়ে জগতৰ ভৱিষ্যত।
হাতত নাথাকে শক্তি, নাথাকে সিংহাসন
তথাপি তেওঁ গঢ়ে সমাজৰ দৃঢ় বন্ধন।
পৰিশ্ৰমেৰে লিখে তেওঁ সময়ৰ গাত

নিজৰ কৰ্মতেই বিচাৰে জীৱনৰ স্বাদ,
আনক সহায় কৰি তেওঁ নিজে থাকে আঁতৰি
মুখত নাহে অভিযোগ, চকুত নাথাকে ক্ৰোধ।
জীৱনৰ কঠিন সময় তেওঁ ধৈৰ্য্য সহে,
আশাৰ দীপটি বকুত জ্বলাইয়ে ৰাখে।

## পৰিশ্ৰমৰ ফল

বহু দিনৰ আগৰ কথা। এখন গাঁৱত বহুত দুখীয়া মানুহৰ ঘৰ আছিল। মানুহ ঘৰত এজনী ছোৱালী আছিল। ছোৱালী জনীৰ নাম হ'ল ৰীতা। ৰীতা দেউতাকে আনৰ ঘৰত কাম কৰি ঘৰখন চলাই। এদিনাখনৰ কথা। ৰীতাক সকলো বন্ধু বান্ধবীয়ে লাজ দি কলে "এইজনী দুখীয়া ঘৰৰ ছোৱালী ক'ত ইংৰাজীত কথা কৰিব পাৰিব।" ৰীতই খং আৰু দুখতআহি ঘৰ পাই ক'লে "দেউতা মোক সকলো বন্ধু - বান্ধবীয়ে আজি মোক লাজ দি ইংৰাজীত খতা ক'ব নোৱাৰো বুলি কৈছে।" দেউতাকে তাইক সান্ত্বনা দি ক'লে - "দুখ নকৰিবা ৰীতা তুমি কষ্ট কৰা আৰু সকলোকে দেখুৱাই দিয়া"ৰীতাই সেই দিনাখনৰ পৰা কষ্ট কৰি পঢ়ি এদিন কাই সকলোকে দেখুৱাই দিলে যে পৰিশ্ৰম কৰিলে ধনী দুখীয়াৰ কথা নাই সকলোৱে সফলতা অৰ্জন কৰিব পাৰে।

এই সাধুটোৰ পৰা এইটোৱে জনা গ'ল যে পৰিশ্ৰম কৰিলে বিফলতাৰ কথা নাই সফল হ'ব পাৰিবই।

নাম ঃ শ্ৰী মতী স্বস্তীকা দত্ত
শ্ৰেণী ঃ সপ্তম

# Written by Students

## कृषण की जीवन कहानी

देखा नहीं माता-पिता के चेहरे
जब जन्म हुआ कारागार में
माँ देवकी रोती रही
जुदाई मिली उन्हें भेट में।
आसू थे मा के आखों में
अजीब सा यह खेल है।
वैसे तो भगवान के माता-पिता थे
पर उनके निवास जेल है
कर्तव्य मिले उन्हें जन्म से
बचपन बीता सघर्ष में
पाला पोषा जिस मा ने
उसे भी बिछड़े बाद में
वह राजा भी थे रैंक भी थे
विधि के विधान भी थे
खेलकूद के उम्र में
कर्तव्य उनके अनेक थे
छुड़वाना था उनके माता-पिता को
कई वर्षों से कैद थे
धर्म के चलते कर्म से
वे वृदावन भी छोड़ दिए थे
गाधारी के श्राप से
द्वारिका नगरी डूब गई
बासुरी भी छूट गई द्वारिका भी डूब गई
सब कुछ हार के अत में
प्रेमिका ही दूर गई।

Name : Shyamalima Nath
Class: 7

## उम्मीद का सवेरा

क्या कठिन है डगर अनजानी
पर मन में है एक नई कहानी
बीत गया जो कल का अंधेरा
लेकर आया आज नया सवेरा।

थककर रुकना काम नहीं है
बिना चले विश्राम नहीं है
सपनों के पंखों को फैलाना है
आसमान से आगे जाना है।

हौसलों की तरकश में तीर बचाए राख
जीत की मन में बस एक प्यास बुझाने रख
ठोकोरे तो बस एक □म्तिहान है
तेरे अंदर छुपा एक पूरा जहांन है।

धैर्य का दामन थामे तु बढ़ता चल
हर मुश्किल का निकलेगा कल कोई हल
खुद पर का यकीन तू रुकना नहीं
मंजिल मिलेगी तुझे तू झुकना नही।

Name: Kalyan Saikia
Class: Vii

## "दुनिया का सबसे बड़ा रोग : क्या कहेंगे लोग"

यु तो दुनिया में हर तरह के रोग होते हैं। पर उनमें से सबसे घातक रोग है "क्या कहेंगे लोग ?" हम सब लगभग सारी बातों का सही निर्णय लेने में चूक जाते हैं। जैसे अगर घर में चोरी हो गई तो लोग क्या कहेंगे ? अगर पुलिस में शिकायत करनी हो तो लोग क्या कहेंगे ? ऐसी बहुत सी बातें है जिसमें हम सोचते हैं कि लोग क्या कहेंगे ?

एक सफल इंसान के पीछे उसके मेहनत और □ त्म शक्ति छिपी हुई होती है।जो असफल लोगों लोग होते हैं उनके पीछे असफलता के राज छुपे हुए होते हैं।उनमें से एक राज यह भी है कि वह लोग हर बात के लिए सोचते हैं लोग क्या कहेंगे ?

□ प को भी इस बात का तनाव होता होगा कि □ प भी इस रोग के शिकार है या नहीं .... तो यह जानना बहुत □ सान है , जब भी □ प किसी अंचित काम को करने से पहले, करने के दौरान या करने के बाद यह सोचे कि उसके बारे में लोग क्या कहेंगे , तो □ प इस घातक रोग का शिकार है।

इस रोग की जल्द से जल्द ठीक किया जा सकता है यदि □ प में □ त्मविश्वास और अपने लक्ष्य को पा लेने का जज्बा हो तो □ पके मन में एक बार भी लोग क्या कहेंगे ऐसा विचार नहीं □ एगा और □ प इस र रोग से मुक्त हो जाएंगे।

हमे हमेशा अपने दिल की □ वाज सुननी चाहिए। उसे पर अमल करना चाहिए हमारे अपनी जिंदगी में लोग क्या कहेंगे इस बात का कोई अर्थ नहीं है।यदि हम कोई भी निर्णय लेने से पहले यह सोचना भूल जाए कि लोग क्या सोचेंगे तो जिंदगी बहुत खूबसूरत बन जाएगी।

Name : Jyotishka Saikia
Class: 8

## पिता

पिताजी ने अपने बच्चों
के सुख के लिए
अपना दुख सबसे छुपाया
उसे महान व्यक्ति को
भगवान ने पिता का नाम दिया।

दिन भर कड़ी मेहनत करते
घर लौटते लौटते
बच्चों के लिए खिलौने
और मिठाई भी लेते।

बच्चों को पढ़ने के लिए
खुद फटी चप्पल पहनते
त्यौहार आने पर भी
खुद पुराने कपड़े पहनकर
बच्चों को कपड़े दिलाते।

जो खुद दुखी होकर
अपने बच्चों को खुश करता है
इस महान व्यक्ति को
भगवान ने पिता का नाम दिया है।

Name — Prastuti gogoi
Class– Viii

## कोमल एहसास

एक नन्ही सी लड़की थी
हाथों में रंगीन फूल थी
मुस्कान उसके कोमल सी
जैसे ओस में भागी धूल थी।

फूलों से उसने बात कही
तुम क्यों इतना मुस्काते हो ?
फुल हंस कर बोला उसे से
धूप मिले तो खिल जाते हो।

लड़की ने सीखा फूलों से
चुपचाप खुश रहना है
मुश्किल में भी मुस्काना
यही जीवन कहलाता है।

लड़की और फूलों की कहानी
प्यार, सादगी की निशानी।

Name —Panchami Boruah
Class– Viii

# Creative Corner



PRAYAKHI PRIYAM SAIKIA
CLASS - VIII



PRAYAKHI PRIYAM SAIKIA
CLASS - VIII



AKASHNIL NATH
CLASS- VI




DOROTHI DUTTA
CLASS-VI




MAYURI BORA
CLASS - VIII



ANUPAM MALAKAR
CLASS- VIII

# EVENTS AND PROGRAMME













# EVENTS AND PROGRAMME














# EVENTS AND PROGRAMME















# EVENTS AND PROGRAMME















# EVENTS AND PROGRAMME














# EVENTS AND PROGRAMME












